# বাৰ্নব্বা আৰু পৌলৰ দৰে এটি গোট হৈ আমাৰ প্ৰভুৰ পৰিচৰ্য্যা কৰক

লৰা-ছোৱালীক শিকোৱা সকলে T2b অধ্যয়ন পঢ়া উচিত

**প্ৰাৰ্থনা ঃ** "প্ৰিয় প্ৰভু, যীচু আৰু তেওঁৰ পাঁচনিবিলাকৰ দৰে কাম কৰিবলৈ যিবিলাকে আমাৰ প্ৰচেষ্টা আৰু কাৰ্য্য যোগ দিয়াত সহায় কৰক।"

আপোনাৰ জাকৰ বৰ্ত্তমানৰ প্ৰয়োজনত থলুৱা ৰীতি-নিয়ম আৰু বিশ্বাসীসকলক দিয়া সামৰ্থ্যত খাপ খোৱা কাম-কাজবোৰ বাচি লওক।

**১। কাম কৰা গোটবোৰৰ লগত একেলগে পৰিচৰ্য্যা কৰিবলৈ বিশ্বাসী সকলক সহায় কৰিবলৈ ঈশ্বৰৰ বাক্য সহিত প্ৰস্তুত কৰক।**

### ১ক) বাৰ্ণব্বা দলত কাম কৰা এগৰাকী লোক

বাৰ্ণব্বাই অন্য লোকৰ প্ৰয়োজনবিলাকৰ নিমিত্তে চিন্তা কৰিছিল, আৰু দলগত হিচাপে কাম কৰিবলৈ লোকসকলক আনিছিল। পাঁচনিৰ **কৰ্ম্ম ৪:৩৪-৩৭** পদত চাওক, প্ৰয়োজনত থকা লোকক যোগাবলৈ তেওঁ কি কৰিছিল।

পাঁচনিৰ **কৰ্ম্ম ৯:২৬-২৯** পদত চাওক, পৌলক সহকৰ্ম্মী হিচাপে গ্ৰহণ কৰিবলৈ যিৰূচালেমৰ বিশ্বাসীসকলক তেওঁ কিদৰে সহায় কৰিছিল।

পাঁচনিৰ **কৰ্ম্ম ১৩:২-৫** পদত চাওক, আন্তিয়খিয়াৰ মণ্ডলীয়ে পঠোৱা বাৰ্ণব্বাৰ দলৰ সভ্যসকল কোন আছিল।



*পাঁচনিবিলাকে সাধাৰণতে দুজনকৈ অথবা সৰু গোটত ভ্ৰমন কৰে*

### ১খ) বাইবেল শাস্ত্ৰত দলগত অথবা ব্যক্তিগত প্ৰচেষ্টা

**মোচিয়ে** ইস্ৰায়েলৰ গোষ্ঠীবিলাকৰ বৃদ্ধসকলৰ লগত ঘনিষ্ঠভাবে কাম কৰিছিল, আৰু তেওঁক আশ্চৰ্য্যজনক ভাবে ঈশ্বৰে ব্যৱহাৰ কৰিছিল। অৱশ্যে যেতিয়া বৃদ্ধসকলক নোলোৱাকৈ তেওঁ অকলে কাৰ্য্য কৰিছিল, তেওঁক লোকবিলাকে খং তুলিলে আৰু তেওঁ শিলত কোবালে য'ৰ পৰা পানী দিবলৈ ঈশ্বৰে প্ৰতিজ্ঞা কৰিছিল (গণনাপুস্তক ২০:২-১২) আৰু ঈশ্বৰে তেওঁক শাস্তি দিলে।

**ৰজা দায়ূদে** সেনা, পুৰোহিত আৰু ভাববাদী সকলৰ লগত ঘনিষ্ঠ ভাবে কাম কৰিছিল, আৰু তেওঁক আশ্চৰ্য্যজনক ভাবে ঈশ্বৰে ব্যৱহাৰ কৰিছিল। অকলশৰীয়া হৈ কাম কৰি, তেওঁ উৰিয়াৰ জীৱন আৰু তেওঁৰ ভাৰ্য্যাক ললে, আৰু ঈশ্বৰে তেওঁক শাস্তি দিলে (২ চমূৱেল ১১, ১২ অধ্যায়। অকলশৰে কাম কৰি, তেওঁ উত্তৰ আৰু দক্ষিণ অঞ্চলৰ সংযুক্ত ফৈদৰ লোকবিলাকৰ সংখ্যা অজ্ঞানী ভাবে গণনা কৰিলে, আৰু ঈশ্বৰে তেওঁক শাস্তি দিলে (২ চমূৱেল ২৪ অধ্যায়)

**ৰজা যিহোচাফটে** পুৰণি ইস্ৰায়েলত সিদ্ধান্ত লবলৈ ঈশ্বৰৰ ভাববাদীসকলৰ লগত পৰামৰ্শ কৰিছিল। গাওঁবোৰত ঈশ্বৰৰ বাক্য শিকাবলৈ কৰ্ম্মচাৰীবিলাকক দলগত হিচাপে পঠিয়াইছিল (২ বংশাৱলি ১৭:৭-৯)। তথাপি, অন্য ৰজাসকলে অকলশৰে কাম কৰি অবিবেচক সিদ্ধান্তবোৰ লৈছিল, যেনে, যুদ্ধত নিজৰ চিনাকী লুকুৱাই ৰাখিবলৈ আহাবে যেতিয়া যিহোচাফেটক কৈছিল (১ ৰাজাৱলি ২২:৩০-৩৮)। তেওঁৰ এক লাজ লগা মৃত্যু হৈছিল।

**এলিয়া ভাববাদীয়ে** সাধাৰণতে ভাববাদীসকলৰ এটি কৰ্ম্মৰত গোটৰ লগত কাম কৰিছিল, যিসকলক তেওঁ প্ৰশিক্ষণ

দিছিল। তথাপি যেতিয়া তেওঁ দুষ্ট ৰাণী ঈজেবলৰ পৰা পলাই যাওঁতে নিজ দাসক এৰি অকলে গৈছিল। তেওঁ অসন্তোষ্ট অনুভৱ কৰি তেওঁৰ প্ৰাণ লবলৈ ঈশ্বৰলৈ প্ৰাৰ্থনা কৰিলে (১ ৰাজাৱলি ১৯ অধ্যায়)

**যীচুৱে** বাৰজন কৰ্ম্মচাৰীৰ এটি প্ৰচাৰকৰ দল গঠন কৰিছিল, যাৰ মাজৰ পিতৰ চলাওঁতা হৈছিল। যীচুক বন্দী কৰাৰ পিছত তেওঁলোক সিঁচৰিত হৈছিল। তেওঁলোকৰ পৰা পৃথক হৈ, পিতৰে যীচুক অস্বীকাৰ কৰিছিল (মাৰ্ক ১৪:৬৬-৭২)

**পৌল,** বন্দীয়াৰ হৈ থকা বাহিৰে, আন কৰ্ম্মচাৰীসকলৰ লগত ভ্ৰমণ কৰিছিল। তেওঁৰ দলৰ তীতৰ অনুপস্থিতিত তেওঁ দুঃখিত হৈছিল। ২ কৰিন্থীয়া ২:১২-১৩)। তীতে পুনৰ দলত যোগ দিওঁতে, তেওঁ অতিশয় শান্তনা লভিছিল ২ কৰিন্থীয়া ৭:৫-৭)।

খ্ৰীষ্ট আৰু পাঁচনিবিলাকে সাধাৰণতে অকলশৰে কাম কৰা নাছিল, বৰং তেওঁলোকে কেৱল **অস্থায়ী দল** গঠন কৰিছিল।

- দলবোৰ কামকৰা গোট আছিল, বিশেষ এক নিৰ্দ্দিষ্ট কামক কেন্দ্ৰ কৰিছিল।
- যেতিয়া কাম কৰা হৈছিল, তেওঁলোকে অন্য কামলৈ গৈছিল, প্ৰায়ে অন্য দলৰ সভ্যসকলৰ লগত।
- তেওঁলোকে তেওঁলোকৰ দলৰ লোকক প্ৰশিক্ষণ দিছিল, আৰু পিছত নিজৰ দল গঠন কৰিবলৈ দিছিল।

### ১গ) আন্তিয়খিয়াৰ গোট (বাৰ্ণব্বা, পৌল আৰু কিছু সময়ৰ নিমিত্তে যোহন মাৰ্ক)

পাঁচনিবিলাকৰ কাম কৰা দল কিদৰে গঠন হৈছিল আৰু তেওঁলোকে কি কৰিলে পঢ়ক, **পাঁচনিৰ কৰ্ম্ম ১৩ আৰু ১৪ অধ্যায়।**

- পাঁচনিৰ কৰ্ম্ম ১৩:১-৩ পদত চাওক, ঈশ্বৰে কিদৰে আন্তিয়খিয়া মণ্ডলীক পঠোৱা মণ্ডলী হোৱাত সহায় কৰিছিল।
- পাঁচনিৰ কৰ্ম্ম ১৩ আৰু ১৪ অধ্যায়ত চাওঁক, বিভিন্ন লোক যিসকলে কাম কৰা দলক বাধা দিছিল আৰু ইয়াৰ ফলাফল।
- পাঁচনিৰ কৰ্ম্ম ১৪ অধ্যায়ত চাওক, কাম কৰা গোটে কিদৰে নতুন মণ্ডলীবিলাকত চলাওঁতা সকলক প্ৰতিষ্ঠা কৰিছিল।
- পাঁচনিৰ কৰ্ম্ম ১৪:২৬-২৮ পদত চাওক, কি ঘটিছে সেই বিষয়ে কিদৰে পঠোৱা মণ্ডলীবিলাকক তেওঁলোকে জনাইছিল।

### ২। সপ্তাহটোত কাম কৰিবলৈ দল গঠনৰ কাৰণে সহ-কৰ্ম্মীসকলৰ লগত আঁচনি কৰক।

- আঁচনিৰূপে আপোনাৰ মণ্ডলীৰ পৰিচৰ্য্যা কৰিবলৈ ঈশ্বৰে দিয়া কৰ্ম্মচাৰীসকলক সহায় কৰিবলৈ প্ৰাৰ্থনা কৰক ('পঠোৱা সকল', যিসকল অৱহেলিত লোকসকলৰ মাজলৈ যায়), যিদৰে তেওঁ ইফিচীয়া ৪:১১-১২ পদত প্ৰতিজ্ঞা কৰিছিল।
- বাৰ্ণব্বা যিজনে আৰম্ভনিতে পৌলক সহায় কৰিছিল আৰু তেওঁৰ মণ্ডলীক পঠোৱা মণ্ডলী হবলৈ সহায় কৰিছিল, সিদ্ধান্ত কৰক আপোনাৰ সহ-কৰ্ম্মী সকলৰ মাজত কোন বাৰ্ণব্বাৰ দৰে হব। তেওঁলোকৰ ওপৰত হাত দি প্ৰাৰ্থনা কৰক।
- আন মণ্ডলীবিলাকৰ লগত সহযোগ কৰি প্ৰচাৰকৰ দলত সহায় কৰক।
- চেপ্‌হাৰ্ড গল্প কিতাপৰ সহায়ত নতুন মণ্ডলী স্থাপনকাৰীক প্ৰশিক্ষণ দিয়ক (পৌল-তীমথিয় চলাওঁতা প্ৰশিক্ষণ)।

### ৩। হবলগীয়া উপাসনাৰ কাৰণে সহ-কৰ্ম্মী সকলৰ লগত আঁচনি কৰক।

বাৰ্ণব্বাৰ চৰিত্ৰ **বৰ্ণনা কৰক**, আৰু এটি দল গঠন কৰিবলৈ কিদৰে ঈশ্বৰে তেওঁক ব্যৱহাৰ কৰিছিল (ভাগ ১ ক, ওপৰত)।

**তুলনা কৰক** দলগত কামৰ লগত ব্যক্তিগত প্ৰচেষ্টা (ভাগ ১খ, ওপৰত)।

**কওক** অথবা এখন চুটী নাট কৰক কিদৰে আন্তিয়খিয়াৰ দল গঠন হৈছিল আৰু ই কি কৰিলে (ভাগ ১ গ, ওপৰত)।

আপোনাৰ সমাজৰ পৰা আনক যীচুৰ বিষয়ে কবলৈ, অথবা এটা নতুন মণ্ডলী স্থাপন কৰিবলৈ ওলাই যোৱা যিকোনো কাম কৰা গোটৰ বিষয়ে **ৰিপোৰ্ট** শুনক।

**লৰা-ছোৱালীয়ে** যুগুত কৰা বিষয়বোৰ পৰিবেশন কৰিবলৈ দিয়ক।

সপ্তাহটোত কৰিবলগীয়া আঁচনি **ঘোষণা কৰক** (ভাগ ২, ওপৰত)।

**প্ৰভুৰ ভোজৰ** ভাগ লোৱাৰ আগেয়ে, প্ৰতিজনকে নিজৰ নিজৰ পাপবোৰ ঈশ্বৰৰ আগত স্বীকাৰ কৰিবলৈ দিয়ক। পিছত গণনাপুস্তক ৯:১-১৪ পদৰ কাহিনীটো কোনো এজনক কবলৈ দিয়ক আৰু পুৰণি ইস্ৰায়েলৰ লোকবিলাকৰ কাৰণে নিস্তাৰ পৰ্ব্ব যি প্ৰভু ভোজৰ লগত মিল আছে তাৰ মহত্ব বৰ্ণনা কৰক।

প্ৰাৰ্থনা আৰু নিশ্চিত হবলৈ, পৰামৰ্শ আৰু কিবা প্ৰকাৰে পৰস্পৰে শুধৰণিৰ বাবে দুই বা তিনিজনীয়া **দল গঠন** কৰক, মণ্ডলী স্থাপন কৰা দলৰ নিমিত্তে প্ৰাৰ্থনা কৰক।

**মুখস্থ কৰক,** হিতোপদেশ ১১:১৪ পদ।



*তেওঁলোকৰ প্ৰথম মিশ্যনেৰী যাত্ৰাত পৌল আৰু বাৰ্ণব্বাই যোহন মাৰ্কক আদৰণি জনাইছিল।*

Copyright © 2004 by Paul-Timothy. Download Paul-Timothy studies freely from www.Paul-Timothy.net.